Total No. of Printed Pages—7

**HS/XII/A. Sc. Com/A/25**

**2025**

**ASSAMESE**

**( Modern Indian Language )**

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা *এটা* বা *দুটা* শব্দৰে (যি কোনো **দহটা**) : ১×১০=১০

(ক) 'সাহিত্য আৰু প্ৰেম' গ্ৰন্থখনৰ ৰচক কোন ?

(খ) ড০ বাণীকান্ত কাকতিৰ গৱেষণামূলক গ্ৰন্থখনৰ নাম কি ?

(গ) 'নৱজীৱন' গ্ৰন্থৰ ৰচক কোন ?

(ঘ) 'কীৰ্তন ঘোষা'ৰ ৰচক কোন ?

(ঙ) চণ্ডীদাসৰ প্ৰীতি থকা বুলি উল্লেখ থকা ধুবুনীগৰাকীৰ নাম কি আছিল ?

(চ) 'বৰ্ণবোধ' গল্পটো কাৰ ৰচনা ?

(ছ) মাখনীৰ কেঁচুৱাটোৰ নাম কি ?

(জ) সাহিত্যৰ সম্বন্ধ প্ৰধানকৈ কিহৰ লগত ?

(ঝ) শংকৰদেৱে ৰচনা কৰা এখন অংকীয়া নাটৰ নাম লিখা।

(ঞ) 'কুকুৰ' কবিতাটো কাৰ ৰচনা ?

(ট) নৱকান্ত বৰুৱাৰ এটি ছদ্মনাম লিখা।

(ঠ) 'তামীঘৰা' শব্দৰ অৰ্থ কি ?

(ড) 'চিৰাজ' গল্পটোৰ গল্পকাৰ কোন ?

(ঢ) কন্দৰ্পৰ দেউতাকৰ নাম কি আছিল ?

(ণ) 'নাটঘৰ' মানে কি ?

২। শুদ্ধ নে অশুদ্ধ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) 'নামঘোষা' শংকৰদেৱে ৰচনা কৰিছিল।

(খ) ইতিহাস আৰু পুৰাণক পঞ্চম বেদ বুলি কোৱা হয়।

(গ) বুভুক্ষা মানে ক্ষুধা।

(ঘ) চণ্ডীদাসৰ জন্ম হৈছিল ইটালীত।

(ঙ) ব্ৰহ্মা নাৰদৰ পুত্ৰ।

(চ) ‘দি ফাউষ্ট’ গ্ৰন্থ গেট্যেৰ ৰচনা।

(ছ) জয়ন্তী ৰমাৰ ঘৰৰ কাম কৰা ছোৱালী।

৩। পাঠ্যপুথিত থকাৰ দৰে উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰি সম্পূৰ্ণ বাক্যশাৰী উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) জয়ন্তীৰ মনটো ______ লাগিল।

(খ) যন্ত্ৰণা মোৰ জীয়াৰ ______ ।

(গ) সাধাৰণতে ______ বুলিলে কিতাপক বুজায়।

(ঘ) কবিৰ মনত প্ৰেম আৰু বিশ্বশক্তি অভিন্ন ______ ।

(ঙ) ইহ আমাৰ ______ পৰিছে।

(চ) সসীমৰ ৰূপতৃষ্ণা অসীমত বুৰ যাব খহি গ’লে জৰী ______ ।

(ছ) বিন্ধ্য পৰ্বতক যাহা ৰাজাগণ লই।
ভদ্ৰতৰ শিলাক ______ আনাগৈ।

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ, উত্তৰ-বহীত লিখা (প্ৰতিটো উত্তৰ **তিনিৰ** পৰা **ছয়** শাৰীৰ ভিতৰত) : ৩×১০=৩০

(ক) পৰাঙ্গনা প্ৰীতি বুলিলে কি বুজা?

(খ) ডান্টেক কিয় স্বদেশৰ পৰা নিৰ্বাসন দিয়া হৈছিল?

(গ) 'পাৰিজাত হৰণ'ৰ আখ্যান ক'ত ক'ত পোৱা যায়?

(ঘ) অসমীয়া বৈষ্ণৱ কবিৰ নাৰদ পৰমভক্ত হ'লেও তেওঁক কি ৰূপত দেখুওৱা হৈছে?

(ঙ) ড০ উপেন্দ্ৰনাথ গোস্বামীৰ তিনিখন গ্ৰন্থৰ নাম লিখা।

(চ) বিশ্বৰ তিনিগৰাকী ক্ৰান্তিকাৰৰ নাম লিখা।

(ছ) ৰমাই কাৰ হতুৱাই আৰু কাৰ কাৰ বাবে ডাকঘৰৰ পৰা পষ্টকাৰ্ড অনাইছিল? ১+১+১=৩

(জ) ইন্দ্ৰদ্যুম্ন ৰজাই কিয় যজ্ঞ কৰিব বিচাৰিছিল?

(ঝ) শংকৰদেৱৰ বৰগীতৰ তিনিটা বৈশিষ্ট্য লিখা।

(ঞ) "কোন মহাশূন্য ভেদি আহিছিলো অকলই।" ইয়াত কি কথা প্ৰকাশ পাইছে?

(ট) 'কুকুৰ' কবিতাত কবিয়ে কেইশ্ৰেণীৰ মানুহৰ কথা উল্লেখ কৰিছে? শ্ৰেণীকেইটাৰ নাম লিখা। ১+২=৩

(ঠ) নৰকান্ত বৰুৱাৰ তিনিখন কবিতাপুথিৰ নাম লিখা।

(ড) ডান্টেৰ প্ৰেমিকাৰ নাম কি আছিল?

(ঢ) 'চিৰাজ' নাটকৰ তিনিটা পুৰুষ চৰিত্ৰৰ নাম লিখা।

(ণ) কন্দৰ্পই সাবিত্ৰীক কিয় বিয়া কৰাব পৰা নাছিল?

( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) 'বৰ্ণবোধ' গল্পত প্ৰকাশিত বৰ্ণবোধৰ তাৎপৰ্য বিচাৰ কৰা।

(খ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

নাৰদ দেৱৰ্ষি, পৰমভক্ত আৰু দেৱকাৰ্যত সোঁহাত

(গ) সাহিত্য বুলিলে কি বুজা? ইয়াৰ গুণাগুণ সম্পৰ্কে আলোচনা কৰা।

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৭

(ক) 'উভতি নহা'ৰ কবিতাত পৃথিৱীৰ প্ৰতি কবিৰ ভালপোৱা কেনেদৰে প্ৰকাশ পাইছে, বুজাই লিখা।

(খ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

সিহঁতৰ প্ৰত্যেকৰে কপালত
যেন সনা আছে
কুৰি শতিকাৰ সভ্যতাৰ নিলাজ
হাতৰ চেকা।

(গ) 'নাটঘৰ' কবিতাৰ মূলভাৱ লিখা।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) 'ফণী শৰ্মাৰ 'চিৰাজ' নাটকত আঘোণা চৰিত্ৰৰ ভূমিকা' এই সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) “ফুলনিতকৈ ফুল চিঙি থকাজনী আৰু ধুনীয়া।” কোনে, কাক, কি প্ৰসংগত কৈছিল, বৰ্ণনা কৰা। ১+১+৪=৬

(গ) নাটক বুলিলে কি বুজা? নাটকৰ প্ৰধান উপাদানকেইটাৰ বিষয়ে লিখা। ২+৪=৬

**( ব্যাকৰণ ভাগ )**

৮। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) ৰিপুক জয় কৰে যি

(খ) যি সঁচা কথা কয়

(গ) যিজনে নিয়মমতে খৰচ কৰে

(ঘ) যাৰ বিবেচনা শক্তি নাই

(ঙ) যি আনৰ অধীন

(চ) বিদেশৰ পৰা অহা লোক

৯। ভাব-সম্প্ৰসাৰণ কৰা (যি কোনো **এছোৱা**) : ৪

(ক) ভৰিৰ পিছল খালে নিজে দুখ পায়
জিভাৰ পিছলে কিন্তু আপদ ঘটায়।

(খ) হৰিণাৰ মাংসই বৈৰী।

(গ) টেঙা আম এবাৰহে বেচিব পাৰি।

১০। তলৰ খণ্ডবাক্যকেইটাৰে অৰ্থপূৰ্ণ বাক্য-ৰচনা কৰা (যি কোনো **তিনিটা**) : ১×৩=৩

কপাল ফুটা ; ফুটুকাৰ ফেন ; অথাই সাগৰ ; চকু চৰহা ; নলে গলে লগা ; হাত লৰ ।

১১। তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **চাৰিটা**) : ১×৪=৪

লিখক ; দয়ালু ; বোকাময় ; ঢুলীয়া ; বেজালি ; চাফাই ; মৰমিয়াল ।

১২। কাৰক কাক বোলে ? যি কোনো তিনিবিধ কাৰকৰ নাম লিখি উদাহৰণ দিয়া। ২+৩=৫

১৩। তলৰ যি কোনো **এটা** বিষয়ৰ এখন ৰচনা লিখা : ১০

(ক) কভিড ১৯ আৰু ইয়াৰ প্ৰভাৱ

(খ) শিক্ষা আৰু মূল্যবোধ

(গ) দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰভাৱ

(ঘ) তোমাৰ এটি ভ্ৰমণ কাহিনী

(ঙ) সামাজিক মাধ্যম আৰু বৰ্তমান সময়ত ইয়াৰ প্ৰভাৱ

★★★